অধ্যায় ২ ঃ জনসম্পর্কৰ বৃদ্ধি আৰু বিকাশ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ জনসম্পর্কৰ বৃদ্ধি আৰু বিকাশ
২.৪ জনসম্পর্কৰ বাটকটীয়াসকল
২.৫ ভাৰতত জনসম্পর্ক
২.৬ ভাৰতত আধুনিক জনসম্পর্ক
২.৭ জনসম্পর্কৰ সম্ভাৱনাসমূহ
২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৯ অধিক জানিবলৈ
২.১০ অগ্রগতিৰ খতিয়ান
২.১১ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- জনসম্পর্কৰ ক্রমবিকাশ ব্যাখ্যা কৰিব পাৰিব
- জনসম্পর্কত বাটকটীয়াসকলৰ ভূমিকা সন্দর্ভত জ্ঞান লাভ কৰিব
- জনসম্পর্কৰ ভাৰতীয় ছবিখন বর্ণনা কৰিব পাৰিব
- জনসম্পর্কৰ সম্ভাৱনাসমূহৰ বিষয়ে অৱগত হ'ব।

২.২ পৰিচয়

এই অধ্যায়টিয়ে বিশ্ব আৰু ভাৰতত জনসম্পর্কৰ আৰম্ভণি তথা ক্রমবিকাশৰ এক অৱলোকন আগবঢ়াইছে। দার্শনিক এৰিষ্টট'ল কৈছিল, "মানুহ সামাজিক প্রাণী।" মানৱীয় কার্যকলাপৰ সৈতে জড়িত অন্য বিষয় সমূহৰ দৰে জনসম্পর্কয়ো বৃত্তিগত বিকাশৰ ধাৰা তথা পৰিপক্কতা লাভ কৰিবলৈ প্রাচীন কালৰ পৰা বর্তমান সময়লৈকে বহুদূৰ অতিক্রম কৰিবলগীয়া হৈছে। জনসম্পর্কৰ আৰম্ভণি বুলি ক'লে সভ্যতাৰ আৰম্ভণিক বুজিব লাগিব। এই অধ্যায়টোত জনসম্পর্কৰ বিকাশ দিশটোত বিশেষভাৱে গুৰুত্ব দিয়া হৈছে। কুৰি শতিকাৰ শেষভাগতহে ভাৰতত জনসম্পর্কৰ বৃত্তিগত দিশটোৰ বিষয়ে চর্চ্চা আৰম্ভ হৈছিল। ঔদ্যোগিকীৰণ ঘটাৰ লগে লগে জনসাধাৰণো তেওঁলোকৰ জীৱনত বিভিন্ন ব্যৱসায়িক প্রতিষ্ঠানৰ প্রাসংগিকতাক লৈ অধিক সংবেদনশীল হৈ পৰিল। ইয়াৰ লগে লগে জনসম্পর্ক বৃত্তিটোৰ প্রতি মানুহৰ, বিশেষকৈ ব্যৱসায়ীসকলৰ দৃষ্টিভংগী তথা মানসিকতাৰ আমূল পৰিৱর্তন ঘটিল। নব্বৈৰ দশকত উদাৰীকৰণ

আৰু মুক্ত বজাৰ ব্যৱস্থাই ভাৰতীয় অৰ্থনীতিক মুক্ত অৰ্থনীতি হিচাপে প্ৰতিষ্ঠা কৰিলে। জনসম্পৰ্কৰ জড়িয়তে বহুজাতিককোম্পানীসমূহ এই দশকটোত যথেষ্ট উপকৃত হৈছিল। জনসম্পৰ্কৰ ক্ৰমবিকাশত এই কথাই বিশেষভাৱে অৱিহণা যোগাইছিল।

২.৩ জনসম্পৰ্কৰ বৃদ্ধি আৰু বিকাশ

জনসম্পৰ্ক বিভিন্ন দিশত বিভিন্ন ৰূপত থাকে। অৱশ্যে সময়ৰ লগে লগে ইয়াৰ প্ৰতি থকা ধাৰণাৰ পৰিৱৰ্তন হৈছে। ১৮৮২ চনত য়েল ল স্কুল (Yale Law School)ত দিয়াএটা ভাষণত ড'ৰমেন ইটন (Dorman Eaton) নামৰ অধিবক্তাগৰাকীয়ে প্ৰথমবাৰৰ বাবে জনসম্পৰ্ক শব্দটো ব্যৱহাৰ কৰিছিল। কিন্তু ১৯১৬ চনত জনসম্পৰ্কৰ অন্যতম বাটকটীয়া আইভি লী (Ivy Lee) এহে বৃত্তিগতভাৱে জনসম্পৰ্ক শব্দটো ব্যৱহাৰ কৰিছিল।

গ্ৰীকসকলে অলিম্পিকৰ দৰে ঐতিহাসিক অনুষ্ঠানৰ মাধ্যমেৰে মত বিনিময়ৰ এখন মঞ্চ সৃষ্টি কৰিছিল। ৰোমানসকলেও চিচেৰ'ৰ (Cicero) দৰে দাৰ্শনিক পণ্ডিতৰ বাকপটুতা আৰু জুলিয়াছ ছিজাৰৰ শাসনকালত লিখা পুস্তিকাসমূহৰ জড়িয়তে জনতাৰ মতামতৰ গুৰুত্বক প্ৰতিফলিত কৰিছিল। জনমতৰ বৰ্ধিত গুৰুত্ব অনুধাৱন কৰিয়েই ৰোমানসকলে সেই বিখ্যাত উক্তিটো গ্ৰহণ কৰিছিল Vox Populi, Vox Dei। অৰ্থাৎ, ৰাইজৰ কণ্ঠ, ঈশ্বৰৰ কণ্ঠ।

মধ্যযুগীয় বিশ্বত গীৰ্জা আৰু ৰাষ্ট্ৰক সমজ্ঞান কৰা হৈছিল। গীৰ্জাই জনমতক এটা আকাৰ দিছিল আৰু জনসম্পৰ্কমূলক কাম-কাজসমূহৰ ওপৰত গীৰ্জাৰ কাম-কাজৰ ফলপ্ৰসূ ৰূপায়নৰ দিশটো নিৰ্ভৰ কৰিছিল। ইংলেণ্ডত ৰজাই এজন তৃতীয় ব্যক্তিৰ প্ৰয়োজনীয়তাক স্বীকৃতি দিছিল। যেনে- চৰকাৰ আৰু জনসাধাৰণৰ মাজত যোগাযোগ ৰক্ষাৰ বাবে ৰজাই এজন মধ্যস্থতাকাৰী নিয়োগ কৰিছিল। ৰজাৰ বিচাৰ-বিবেচনাসমূহ প্ৰতিফলিত কৰাৰ বাবে এজন লৰ্ডছ চেঞ্চেলৰ নিয়োগ কৰা হৈছিল। এই সময়ছোৱাতে উদ্দেশ্যধৰ্মী প্ৰচাৰ (Propoganda) শব্দটো প্ৰথম ব্যৱহৃত হৈছিল। গীৰ্জাই Congregation de propaganda অৰ্থাৎ খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰৰ বাবে মহাসংঘ গঠন কৰিছিল।

পঞ্চদশ শতিকাত জোহান গুটেনবাৰ্গে ছপা মাধ্যমৰ আৱিষ্কাৰ কৰাৰ লগে লগে অধিক তথ্য সম্বলিত পুস্তিকা, বিজ্ঞপ্তি আৰু পোষ্টাৰ ব্যৱহাৰৰ পথ প্ৰশস্ত হৈ পৰে। সপ্তদশ শতিকাৰ পৰা হাৰ্ভাৰ্দ কলেজৰ দৰে শিক্ষানুষ্ঠানসমূহে আমেৰিকা যুক্তৰাষ্ট্ৰত প্ৰথম পুঁজি সংগ্ৰহৰ অভিযান আৰম্ভ কৰিছিল। কিংছ কলেজ তথা বৰ্তমানৰ কলম্বিয়া বিশ্ববিদ্যালয়ে বাতৰি প্ৰচাৰৰ বাবে প্ৰেছ বিবৃতি প্ৰকাশ কৰিছিল।

ঊনবিংশ শতিকাত এম'ছ কেণ্ডেল (Amos Kendall) এ আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি কাৰ্যালয়ৰ প্ৰেছ সচিবৰ পদ লাভ কৰে। প্ৰেছ এজেণ্টৰ ধাৰণাটোৰ বাটকটীয়া পি টি বাৰ্ণাম (P T Barnum) সমগ্ৰ দেশজুৰি চাৰ্কাচ প্ৰদৰ্শন কৰি এই ধাৰণাটোক বিশেষ গতি প্ৰদান কৰিছিল। ১৮৮৯ চনত ৰেষ্টিংহাউছে প্ৰথমটো কৰ্প'ৰেট (একাধিক ব্যৱসায়িক প্ৰতিষ্ঠানৰ

গোট) জনসম্পর্ক বিভাগ প্রতিষ্ঠা কৰিছিল। ইয়াৰ এবছৰৰ ব্যৱধানত মিউচুৱেল লাইফ ইন্সুৰেঞ্চ কোম্পানীয়ে বিজ্ঞাপন আৰু প্রচাৰৰ দিশটো চোৱা-চিতা কৰাৰ বাবে Species of Literary Bureau নামেৰে এটা বিভাগ মুকলি কৰিছিল। সেই সময়তে ৰাজনৈতিক অভিযানৰ বাবেও জনসম্পর্ক আৰু প্রচাৰৰ ব্যৱহাৰ আৰম্ভ হৈছিল।

বিংশ শতিকাত বাহন নির্মাণকাৰী কোম্পানী ফ'র্ডে সামগ্রী পুনৰীক্ষণ আৰু প্রচাৰ কার্যসূচীৰ মাধ্যমেৰে বাহনৰ প্রচাৰ চলাবলৈ আৰম্ভ কৰে। Publicity Bureau হ'ল আমেৰিকা যুক্তৰাষ্ট্রৰ প্রথমটো প্রচাৰ সংস্থা।পেন্সিলভেনিয়া ৰে'লৰোড কোম্পানীয়ে জনসম্পর্কৰ বাটকটীয়া আইভি লীৰ দৰে ব্যক্তিক নিযুক্তি দিছিল। লীয়ে আধুনিক জনসম্পর্কৰ বাট মুকলি কৰি 'নীতিৰ ঘোষণাপত্র' জাৰি কৰিছিল। এডৱার্ড এল. বার্ণেজে 'Crystallizing Public Opinion' শীর্ষক এখন গ্রন্থ প্রকাশ কৰাৰ লগে লগে জনসম্পর্কৰ পৰামর্শদাতা' সংজ্ঞাটো জনপ্রিয় হ'বলৈ ধৰে। তেওঁ আনকি নিউয়'র্ক বিশ্ববিদ্যালয়ত প্রথমটো জনসম্পর্ক পাঠ্যক্রমৰ শিক্ষা প্রদান কৰিছিল। প্রথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জনসাধাৰণৰ সমর্থন আৰু অংশগ্রহণক উদ্‌গনি যোগোৱাৰ উদ্দেশ্যেৰে জনসম্পর্কৰ সুবিধাবোৰ ব্যৱহাৰ কৰা হৈছিল। চৰকাৰে যুদ্ধ সম্পর্কীয় তথ্যৰ কার্যালয় আৰু বিজ্ঞাপন পৰিষদ গঠন কৰি যুদ্ধৰ তথ্য প্রচাৰৰ দিহা কৰিছিল। টেলিভিছনৰ প্রচাৰ জনপ্রিয় হ'বলৈ ধৰিছিল আৰু ১৯৪৮ চনত আমেৰিকা জনসম্পর্ক সমিতি গঠন কৰা হৈছিল। দ্রুত ঔদ্যোগিক বিকাশৰ লগে লগে ব্যৱস্থাপনা কার্য হিচাপে জনসম্পর্ক প্রতিটো সংস্থাৰ বাবে আৱশ্যকীয় উপাদান হৈ পৰে আৰু স্থানীয় তথা আন্তঃ ৰাষ্ট্রীয় পর্যায়ত বিভিন্ন খণ্ডতজনসম্পর্ক ৰক্ষাকেন্দ্রিক প্রতিযোগিতাৰ সূচনা হয়।



জানি থোৱা ভাল

১৯৩৩ চনত ক্লেম হোৱাইটেকাৰ আৰু লিয়ন বাক্সটাৰ নামৰ দম্পতিহালে প্রথমটো ৰাজনৈতিক পৰামর্শমূলক সংস্থা গঠন কৰিছিল। সংস্থাটোৰে আমেৰিকা যুক্তৰাষ্ট্রৰ ৰিপাব্লিকান প্রার্থীসকলৰ সৈতে কাম কৰিছিল। এই সংস্থাই উদ্ভাৱন কৰা কৌশলসমূহ আজিও ব্যৱহাৰ কৰা হয়।

২.৪ জনসম্পর্কৰ বাটকটীয়াসকল

আইভি লী

প্রিন্সটন বিশ্ববিদ্যালয়ৰ অর্থনীতিৰ স্নাতক আইভি লী। সাংবাদিকতা বিষয়ত কর্মজীৱন আৰম্ভ কৰা লীয়ে নিউয়'র্ক জার্ণেল, নিউয়'র্ক টাইমছ আৰু নিউয়'র্ক ৱর্ল্ড আদিৰ বাবে কাম কৰিছিল। ১৯০৩ চনত লীয়ে জনসম্পর্কৰ ক্ষেত্রখনত প্রৱেশ কৰে। তেওঁ চিটিজেনছ ইউনিয়ন নামৰ এটা গোটৰ হৈ কাম কৰিছিল। এই গোটটোৰে বিভিন্ন ৰাজনৈতিক দলৰ কার্যকলাপ নিৰীক্ষণ কৰিছিল। জর্জ পার্কাৰৰ সৈতে লীয়ে পার্কাৰ এণ্ড লী নামৰ জনসম্পর্ক সংস্থা এটা গঠন কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্রৰ এইটো আছিল তৃতীয়টো জনসম্পর্ক সংস্থা। জনসম্পর্কৰ বিষয়ে নিজৰ

ধাৰণাসমূহ তুলি ধৰাৰ বাবে লীয়ে 'নীতিৰ ঘোষণাপত্ৰ' শীৰ্ষক বিবৃত্তি সংবাদ মাধ্যমৰ বাবে প্ৰকাশ কৰিছিল। জনসম্পৰ্কৰ সৈতে জড়িত লোকসকলে সংবাদ মাধ্যম আৰু জনসাধাৰণৰ সৈতে সম্পৰ্ক ৰক্ষা কৰোতে মনত ৰাখিবলগীয়া বিষয়সমূহ এই ঘোষণাপত্ৰত সন্নিৱিষ্ট কৰা হৈছিল। আধুনিক জনসম্পৰ্কৰ বিকাশত লীৰ 'নীতিৰ ঘোষণাপত্ৰ'ত অনবদ্য অৱদান আছে। লীয়ে নিজকে মধ্যস্থতাকাৰী হিচাপে বিবেচনা কৰিছিল আৰু বিশ্বাস কৰিছিল যে শুদ্ধ তথ্য আগবঢ়াব পাৰিলে বিবেকবান মানুহে উচিত সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। বিশ্বৰ আটাইতকৈ ধনাঢ্য ব্যক্তি জন ডি ৰকফেলাৰে লীৰ সেৱা গ্ৰহণ কৰিছিল। লীয়ে ৰকফেলাৰক এগৰাকী জনপ্ৰিয় জনহিতৈষী ৰূপে প্ৰতিষ্ঠা কৰাত সহায় কৰিছিল। পেন্সিলভেনিয়া ৰে'লৰোডত সংঘটিত এটা ভয়ংকৰ দূৰ্ঘটনাক লৈ জনসম্পৰ্ক বিষয়া হিচাপে সংবাদ মাধ্যম আৰু জনসাধাৰণক অৱগত কৰোৱা তথা জন সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত লীয়ে আগবঢ়োৱা সেৱা উল্লেখযোগ্য। দুৰ্ঘটনাটোৰ বিষয়ে বিতং তথ্যসহ লীয়ে সংবাদ মাধ্যমৰ বাবে এটা বিবৃতি প্ৰকাশ কৰিছিল। দুৰ্ঘটনা এটাৰ বিতং তথ্য সামৰি সংবাদ মাধ্যমলৈ কোনো জনসম্পৰ্কৰক্ষী সংস্থাই প্ৰেৰণ কৰা এইটোৱেই আছিল প্ৰথমটো প্ৰেছ বিবৃতি। লীয়ে মুক্ত প্ৰচাৰক অগ্ৰাধিকাৰ দিছিল। তেওঁ ঘটনাস্থলীৰ বাতৰি সংগ্ৰহ কৰাৰ বাবে আগ্ৰহী সাংবাদিকসকলক আমন্ত্ৰণ জনাইছিল। তেওঁ লগতে কোম্পানীৰ কাৰ্যবাহীসকল যাতে যিকোনো প্ৰশ্নৰ উত্তৰ দিব পৰাকৈ সাজু থাকে আৰু সংবাদ মাধ্যমৰ সৈতে মুখামুখিকৈ কথা পাতে সেয়া সুনিশ্চিত কৰিছিল। লী আৰু ৰে'লৰোডৰ প্ৰতি জনসাধাৰণে আগবঢ়োৱা সঁহাৰিৰ পাছতে আন কোম্পানী সমূহেও জনসম্পৰ্কৰ ক্ষেত্ৰত অনুৰূপ পদ্ধতি অৱলম্বন কৰিছিল। কোম্পানী আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্কক ই যথেষ্ট উন্নত কৰিছিল।

ডেনিছ উইলকক্সে তেওঁৰ Public Relations ঃ Strategies and Tactics শীৰ্ষক গ্ৰন্থত উল্লেখ কৰিছে যে আইভি লীক জনসম্পৰ্কলৈ আগবঢ়োৱা চাৰিটা গুৰুত্বপূৰ্ণ অৱদানৰ বাবে শ্ৰদ্ধাৰে স্মৰণ কৰা হয়—

(১) ব্যৱসায় আৰু উদ্যোগসমূহে ৰাজহুৱা স্বাৰ্থৰ সৈতে নিজকে খাপ খুৱাই লোৱা ধাৰণাৰ বিকাশ সাধন;

(২) শীৰ্ষ কাৰ্যবাহীৰ সৈতে কেনে আচৰণ কৰিব লাগে আৰু ব্যৱস্থাপনা বিভাগৰ সক্ৰিয় সমৰ্থন অবিহনে কোনো কাৰ্যসূচী ৰূপায়ণ কৰিব পৰা নাযায় বোলা বাস্তৱিক পৰিস্থিতিটো সদৰিকৰণ।

(৩) সংবাদ মাধ্যমৰ সৈতে মুকলি যোগাযোগ স্থাপনৰ প্ৰয়োজনীয়তা

(৪) ব্যৱসায়ক মানৱীয় প্ৰমূল্যেৰে বান্ধ খুওৱাৰ প্ৰয়োজনীয়তা আৰু জনসম্পৰ্কক কৰ্মচাৰী, গ্ৰাহক তথা প্ৰতিৱেশীৰ দৰে সমূহীয়া পৰ্যায়লৈ নমাই অনা।

এডৱাৰ্ড বাৰ্ণেজ

জনসম্পৰ্ক আৰু উদ্দেশ্যধৰ্মী প্ৰচাৰ ক্ষেত্ৰখনৰ অন্যতম বাটকটীয়া আছিল অষ্ট্ৰিয়ান মূলৰ আমেৰিকান এডৱাৰ্ড লুইছ বাৰ্ণেজ। তেওঁৰ The Father of Public Relation ত

জনসম্পর্কৰ বিষয়ে বিতং ব্যাখ্যা আছে। লেৰী টায়ে এডৱার্ড বার্ণেজৰ জীৱনী "The Father of Spin ত লিখিছে ''বার্ণেজ এই বৃত্তিৰ প্রথমজন দার্শনিক আৰু বুদ্ধিজীৱী আছিল। তেওঁ বৃহৎ সম্ভাৱনাৰ ছবিখন দেখিছিল। তত্ব আৰু ব্যৱহাৰিক দিশটোৰ মাজত থকা সম্বন্ধৰ প্রশংসা কৰা তেওঁ প্রথমজন ব্যক্তি আছিল। তেওঁ জনসম্পর্ক আৰু বিজ্ঞানৰ মাজত একেধৰণৰ কলাত্মক সম্বন্ধ কথা কৈছিল। জনসম্পর্কৰ সৈতে জড়িত ভৱিষ্যৎ প্রজন্মক এই বৃত্তিয়ে কেনেকৈ আমেৰিকাৰ অর্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনক এটা গতি দিয়াত শক্তিশালী ভূমিকা ল'ব পাৰে সেই কথা বুজাই দিয়া বার্ণেজ আছিল প্রথমজন ব্যক্তি।'' বার্ণেজৰ মতে জনসাধাৰণৰ দৃষ্টিভংগীৰ পৰিৱর্তন আৰু কিছুমান আচৰণক উদ্গনি যোগোৱাৰ উদ্দেশ্যে বিভিন্ন প্রচাৰ তথা বার্তাক বিকশিত কৰিব পৰাকৈ জনসম্পর্কই সমাজ বিজ্ঞানৰ গৱেষণা আৰু ব্যৱহাৰিক মনোবিজ্ঞানৰ সংমিশ্রণক ব্যৱহাৰ কৰা উচিত। বার্ণেজৰ তথ্য আর্হিটো মূলতঃ যুক্তি তর্ক আৰু বিজ্ঞানসম্মত প্রত্যয়ৰ এটা ৰূপ। ইয়াত শ্রোতা-দর্শক-পাঠকৰ মতামত শুনাত গুৰুত্ব আৰোপ কৰা হয় যদিও সঁহাৰি লাভ প্রক্রিয়াটোৰ দ্বাৰা এটা অধিক প্রত্যয়জনক বার্তা সৃষ্টি কৰাটোও ইয়াৰ উদ্দেশ্য। পূর্বৰ সকলো তত্বতকৈ ই অধিক আধুনিক, অধিক বিজ্ঞনসম্মত আৰু অধিক ফলপ্রসূ। পূর্বৰ একপক্ষীয় যোগাযোগ প্রেছ বিজ্ঞাপ্তি জাৰি আৰু বার্তা প্রেৰণতে সীমাৱদ্ধ আছিল। ১৯২৩ চনত প্রকাশিত বার্ণেজৰ Crystalizing Public হ'ল জনসম্পর্কত গুৰুত্ব আৰোপ কৰা প্রথমখন গ্রন্থ । পৰৱর্তী সময়ত তেওঁ Engineering of Consent শীর্ষক আন এখন গ্রন্থও লিখিছিল। গ্রন্থখনত জনসম্পর্কৰ ধাৰণাটোক প্রত্যয় নিয়াৰ পৰা প্রচাৰ সৃষ্টিৰ হৈছে। তেওঁ ভালেসংখ্যক সফল প্রচাৰ অভিযান চলাইছিল। তাৰ ভিতৰত Proctor & Gamble ৰ শিশুৰ বাবে তৈয়াৰ কৰা আইভৰী ছ'প আৰু চাবোনৰ আর্হি প্রস্তুত কৰাৰ প্রতিযোগিতাত ল'ৰা-ছোৱালী অংশগ্রহণ, Torches of Liberty কার্যসূচী আদি অন্যতম। আমেৰিকান টবেকো কোম্পানীয়ে মহিলাসকলকো ধপাতৰ গ্রাহক কৰি তোলাৰ উদ্দেশ্যেৰে প্রচাৰ চলাবলৈ বার্ণেজক নিয়োগ কৰিছিল। মহিলা-সকলে ৰাজহুৱাকৈ চিগাৰেট খোৱাত থকা সামাজিক বাধাক প্রত্যাহ্বান জনাই ফেশ্বন তথা মডেলিঙৰ সৈতে জড়িতসকলে নিউর্য়র্কৰ জনপ্রিয় ইষ্টাৰ পেৰেডত জলন্ত চিগাৰেট লৈ প্রতিবাদ সাব্যস্ত কৰিছিল। ধূমপানক স্বাধীনতাৰ এটা প্রতীক হিচাপে উপস্থাপন কৰাৰ লগে লগে চিগাৰেট খোৱা মহিলাৰ সংখ্যা বৃদ্ধি পাইছিল আৰু বিক্রী বাঢ়িছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ Crystalizing Public Opinion ক গ্রন্থখনৰ লেখক কোন ?

.....

.....

প্ৰশ্ন নং ২ ঃ Crystalizing Public Opinion গ্ৰন্থখন কোনে লিখিছিল?

.....

.....

প্ৰশ্ন নং ৩ ঃ বেষ্টিংহাউছে প্ৰতিষ্ঠা কৰা প্ৰথমটো কৰ্প'ৰেট জনসম্পৰ্ক বিভাগৰ নাম কি আছিল?

.....

.....

২.৫ ভাৰতত জনসম্পৰ্ক

ভাৰতীয় ঐতিহাসিক প্ৰেক্ষাপটত জনসম্পৰ্কৰ অস্তিত্ব আছিল যদিও বৃত্তিগতভাৱে ইয়াক ব্যৱহাৰ কৰা হোৱা নাছিল। গৌতম বুদ্ধ, শংকৰাচার্য আৰু কবীৰৰ দৰে আধ্যাত্মিক ধৰ্মগুৰুৱে সৰ্বসাধাৰণক নিজৰ দীক্ষাসমূহ সুন্দৰভাৱে প্ৰদান কৰি অতি সফল জনসম্পৰ্কৰক্ষী হিচাপে পৰিগণিত হৈছিল। মানুহৰ সহজে বোধগম্য হোৱাকৈ অশোকৰ শিলালিপিও স্থানীয় উপভাষাত লিখা হৈছিল। মোগল শাসনৰ পাছত ব্ৰিটিছৰ শাসনে জনসম্পৰ্কৰ বাট মুকলি কৰিছিল। শাসকসকলে জনসাধাৰণক আশ্বস্ত কৰাৰ চেষ্টা কৰিছিল। ভাৰতৰ জনসাধাৰণৰ বাবে কাম কৰা বুলি জনমতক প্ৰভাৱিত কৰি পতিয়ন নিয়াবলৈ চেষ্টা কৰাৰ লগতে ৰাইজে সহযোগ কৰাৰ উচিত বুলি যুক্তি দৰ্শাইছিল।আনহাতে, শতিকাজোৰা পৰাধীনতাৰ শিকলি ছিণ্ডি ভাৰতীয় লোকসকলে ঔপনিৱেশবাদী ব্ৰিটিছৰ বিৰুদ্ধে স্বাধীনতাৰ যুঁজত নামি পৰিছিল।

১৭৮০ চনত উইলিয়াম আগাষ্টাছ হিকীয়ে বেংগল গেজেট নামৰ ভাৰতৰ প্ৰথমখন বাতৰি কাকত প্ৰকাশ কৰিছিল। ই কলিকতাত (বৰ্তমানৰ ক'লকাতা) বসতি স্থাপন কৰা ইউৰোপীয় লোকসকলৰ স্বাৰ্থক লক্ষ্য কৰি লৈছিল। ইয়াৰ লগে লগে শিক্ষিত লোকসকলক শিক্ষা তথা তথ্যৰ যোগান ধৰাৰ ই এটা গুৰুত্বপূৰ্ণ মাধ্যম হৈ পৰে। বাতৰি কাককসমূহে জনমত বিকশিত কৰাৰ মাধ্যম হিচাপে কাম কৰিছিল। মহাত্মা গান্ধী সফল জনসম্পৰ্কৰক্ষীৰ উৎকৃষ্ট নিদৰ্শন। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত তেওঁৰ প্ৰচেষ্টাতে ভাৰতীয় নাগৰিকসকলে ব্ৰিটিছৰ বিৰুদ্ধে ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰিছিল আৰু ইয়াৰ ৫ বছৰৰ ভিতৰতে ভাৰতে স্বাধীনতা লাভ কৰিছিল।

ভাৰতীয় ৰে'ল বিভাগে জনসম্পৰ্কৰ প্ৰণালীৱদ্ধ ব্যৱহাৰ আৰম্ভ কৰিছিল। বৃহত্তৰ ভাৰতীয় উপদ্বীপ (GIP) ৰে'লৱেই ১৯২০ চনত ভাৰতলৈ পৰ্যটকক আকৰ্ষিত কৰাৰ উদ্দেশ্যেৰে ইংলেণ্ডত এটা অভিযান চলাছিল। ভাৰতত ৰে'লৰ প্ৰচাৰ শাখাই ভ্ৰাম্যমান চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছিল। বিভিন্ন বজাৰ, মহোৎসৱ আৰু অন্যান্য স্থানত মুকলি চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হৈছিল। ভাৰতীয় ৰে'লক জনপ্ৰিয় কৰা তথা পৰ্যটকক আকৰ্ষিত কৰাৰ উদ্দেশ্যেৰে এই শাখাই বাতৰি কাকত আৰু আলোচনীত ব্যাপক বিজ্ঞাপন প্ৰচাৰ কৰাৰ লগতে দেশৰ বাহিৰতো বিভিন্ন প্ৰদৰ্শনীত ভাগ লৈছিল।

প্ৰথম বিশ্বযুদ্ধৰ সময়ত ভাৰত চৰকাৰে এখন কেন্দ্ৰীয় প্ৰচাৰ পৰিষদ গঠন কৰে। ইয়াক পাছত কেন্দ্ৰীয় তথ্য ব্যুৰো আৰু পৰৱৰ্তী সময়ত জনতথ্য ব্যুৰো হিচাপে নামকৰণ কৰা হয়। ই চৰকাৰ আৰু সংবাদ মাধ্যমৰ মাজৰ সেঁতু হিচাপে কাম কৰিছিল। ব্যুৰোই চৰকাৰী বিজ্ঞাপনসমূহ প্ৰচাৰ কৰাৰ বাবে ১৯৩৮ চনত এটা নীতিও বিকশাই উলিয়াইছিল। স্বাধীনতাৰ পাছত ভাৰত চৰকাৰে এটা পূৰ্ণাংগ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয় গঠন কৰে।

সেই সময়ছোৱাত ভাৰতত কাৰ্যক্ষম হৈ থকা বহুজাতিক কোম্পানীসমূহে ভাৰতীয় লোকসকলৰ সৈতে অধিক অৰ্থৱহভাৱে যোগাযোগ স্থাপনৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। গণতান্ত্ৰিক প্ৰেক্ষাপটত নিজৰ নীতিসমূহ কাৰ্যকৰী কৰাৰ বাবে এই কোম্পানীসমূহে জনসম্পৰ্কৰ সহায় ল'বলৈ আৰম্ভ কৰিছিল। বৃহৎ কোম্পানী সমূহৰ ভিতৰত টাটা গ্ৰুপে মিনু মাছানীৰ নেতৃত্বত ১৯৪৩ চনতে মুম্বাইত জনসম্পৰ্ক বিভাগ স্থাপন কৰিছিল। জনকল্যাণমূলক কাম-কাজৰ বাবে কোম্পানীটোৱে জনপ্ৰিয়তা লাভ কৰিছিল। ১৮৯২ চনত বিদেশত থকা ভাৰতীয় মেধাৱী ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ বাবে জে এন টাটা নিধি গঠন কৰা হৈছিল। টাটা ষ্টীল লিমিটেডৰ কৰ্মচাৰীসকলৰ বাবে প্ৰয়োজনীয় সকলো সা-সুবিধা আগবঢ়াই টাটাই ভাৰতৰ প্ৰথমখন ঔদ্যোগিক নগৰী চাকৃছি, যিখন টাটানগৰ জামছেদপুৰ নামে�ৰেও জনাজাত, স্থাপন কৰিছিল। জনসম্পৰ্কৰ বৃদ্ধি আৰু বিকাশত বৰঙণি আগবঢ়োৱা কোম্পানীসমূহৰ ভিতৰত ৰাজহুৱা সেৱা কোম্পানী,যেনে- HMT, BHEL, ভিলাই তীখা প্ৰকল্প, NTPC, ইণ্ডিয়ান অয়ল, BSNL, NHPC,ONGC আদি অন্যতম। ১৯৫৮ চনত ভাৰতীয় জনসম্পৰ্ক সমিতি গঠন কৰা হৈছিল। জনসম্পৰ্ক ক্ষেত্ৰখনত জড়িত লোকসকলৰ লগতে যোগাযোগৰ বিশেষজ্ঞসকলৰ বৃত্তিগত বিকাশৰ উদ্দেশ্যেৰে এই ৰাষ্ট্ৰীয় সন্থাটো গঠন কৰাহৈছিল। ই জনসম্পৰ্কক ব্যৱস্থাপনাৰ এটা গুৰুত্বপূৰ্ণ কাৰ্য হিচাপে বিবেচনা কৰি ইয়াৰ প্ৰসাৰৰ বাবে কাম কৰি আহিছে।

২.৬ ভাৰতত আধুনিক জনসম্পৰ্ক

সংবাদ মাধ্যম আৰু ব্যৱসায় ক্ষেত্ৰখনৰ দ্ৰুত সম্প্ৰসাৰণৰ লগে লগে বৰ্তমানৰ ভাৰতে জনসম্পৰ্কৰ যিকোনো সমস্যাৰ সমন্বিত সমাধান আগবঢ়োৱাৰ সামৰ্থ আহৰণ কৰিছে । কেৱল সংবাদ মাধ্যম পৰিচালনা কৰা অথবা এখন আলোচনী প্ৰকাশ কৰাৰ দৰে কামতেই বৰ্তমানৰ জনসম্পৰ্ক সীমাৱদ্ধ নহয়। বৰ্তমান সময়ত জনসম্পৰ্ক এটা জ্ঞানভিত্তিক বৌদ্ধিক বৃত্তি। গোলকীকৰণ আৰু অৰ্থনৈতিক উদাৰীকৰণে ভাৰতত জনসম্পৰ্কক এটা জনপ্ৰিয় আৰু সমৃদ্ধিশালী উদ্যোগত পৰিণত কৰিছে।ব্যৱসায় বৃদ্ধি আৰু যোগাযোগৰ ফলপ্ৰসূ পৰিচালনাৰ ক্ষেত্ৰত প্ৰতিটো সংস্থাই বৰ্তমান সময়ত জনসম্পৰ্কৰ প্ৰয়োজন অনুভৱ কৰে। দেশৰ অধিকাংশ সংস্থাৰ বাবে এতিয়া জনসম্পৰ্ক এটা কৌশলগত ব্যৱস্থাপনা কাৰ্য। ৮০ আৰু ৯০ ৰ দশকত জনসম্পৰ্ক বিজ্ঞাপন সংস্থাৰ এটা বিস্তৃত ৰূপ মাত্ৰ আছিল। বৰ্তমান সমন্বিত সমাধানৰ পথ উলিওৱাৰ ক্ষেত্ৰত জনসম্পৰ্কই সুযোগ সৃষ্টি কৰে। বিশেষকৈ জনসম্পৰ্ক আৰু বিজ্ঞাপনৰ মাজত থকা যোগসূত্ৰকো

ই প্রতিফলিত কৰে। সমন্বিত বিপণন যোগাযোগৰ ক্ষেত্রত জনসম্পর্কক এটা গুৰুত্বপূর্ণ উপাদান হিচাপে গণ্য কৰা হয়। নির্ধাৰিত জনসাধাৰণৰ বাবে এটা অর্থৱহ ৰূপত তথ্য যোগান ধৰিব আৰু কেনেকৈ নিজৰ বার্তাসমূহ সকলোৱে বুজাকৈ আগবঢ়াব এই বিষয়ে বিভিন্ন কোম্পানীয়ে জনসম্পর্ক সংস্থা অথবা নিজা জনসম্পর্ক বিভাগ অথৱা যোগাযোগ বিভাগৰ পৰা জানিব বিচাৰে। Associated Chamber of Commerce and Industry in India(Assocham, 2012) ৰ এটা সমীক্ষা অনুসৰি ভাৰতৰ জনসম্পর্ক উদ্যোগটোৱে বছৰি ৩২ শতাংশ হাৰেৰে বিকাশ লাভ কৰি আছে। ভাৰতত শ-শ বৃহৎ আৰু ক্ষুদ্র জনসম্পর্ক সংস্থা আছে। হাজাৰ হাজাৰ জনসম্পর্ক বৃত্তিজীৱী ব্যক্তি আছে। ইয়াৰে ১ লাখ ৫০ হাজাৰৰো অধিক লোক জনসম্পর্ক সংস্থা, ব্যৱসায় নিগমৰ জনসম্পর্ক বিভাগ, ৰাজ্য আৰু কেন্দ্রীয় চৰকাৰৰ বিভিন্ন সচিবালয়ৰ জনসম্পর্ক আৰু তথ্য বিভাগ, বিশ্ববিদ্যালয় মহাবিদ্যালয় আৰু অন্য শিক্ষানুষ্ঠানত নিয়োজিত হৈ আছে।

ভাৰতৰ জনপ্রিয় জনসম্পর্ক সংস্থাসমূহ—

- এডফেক্টৰছ পি আৰ
- জেনেছিছ বার্ছ'ন-মার্চটেলাৰ
- ৰেবাৰ শ্বেণ্ডুৰিক
- এডেলমেন
- অগিল্‌ভি, পি আৰ
- পাৰফেক্ট ৰিলেশ্বনছ্‌
- ৰাগেনাৰ এডষ্ট্রম
- এম এছ এল গ্রুপ ইণ্ডিয়া

অসমৰ জনসম্পর্ক উদ্যোগটোও যথেষ্ট প্রতিশ্রুতিসম্পন্ন। ২০০০ চনৰ আৰম্ভণিতে ভূমুকি মৰা কেৰছফ'র্ড পাবলিক ৰিলেচনছ হ'ল অসমৰ প্রথমটো জনসম্পর্ক সংস্থা । বর্তমান ৰাজধানী মহানগৰী গুৱাহাটীত থকা লাইফ্‌ছ পার্পল পি আৰ, প্রডিজী কমিউনিকেশ্বনছ, মন্ত্রা মিডিয়া এণ্ড ইভেণ্টছ আৰু ছেভেন ছেনছ্‌ কমিউনিকেশ্বনছৰ দৰে সংস্থাই সমগ্র উত্তৰ-পূর্বাঞ্চলতেই অধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। ভাৰতীয় জনসম্পর্ক সমিতি, চমুকৈ পি আৰ এছ আইৰ গুৱাহাটীতো শাখা আছে। ৰাজ্য চৰকাৰৰ তথ্য সঞ্চালকালয় আৰু জনসম্পর্ক বিভাগ আছে। লগতে অ'এন জি চি, ভাৰতীয় ৰে'ল, ক'ল ইণ্ডিয়া আৰু বিভিন্ন চাহ বাগিছা তথা ৰাজহুৱা খণ্ডৰ কোম্পানীৰ জনসম্পর্ক বিভাগ আছে।

২.৭ভাৰতত জনসম্পর্কৰ সম্ভাৱনা

ভাৰতীয় জনসম্পর্ক পৰামর্শদাতা সস্থা (PRCAI) ৰ 'ঔদ্যোগিক সমীক্ষা, ২০১৭ অনুসৰি ভাৰতৰ জনসম্পর্ক উদ্যোগটোৱে ২০১৭ চনত ১৮ শতাংশ বিকাশেৰে ১,৩১৫ কোটি টকাৰ উদ্যোগত পৰিণত হৈছেগৈ। জন সম্পর্ক সংস্থাসমূহৰ ৰাজহৰ প্রায় ২৯ শতাংশ আহে ডিজিটেল,

ছ'চিয়েল মিডিয়া আৰু আন কিছুমান কার্যসূচীৰ দ্বাৰা। জনসম্পর্কই কেতিয়াও বর্তমানৰ দৰে বৃহত্তৰ প্রসাৰ লাভ কৰা নাছিল। ইণ্টাৰনেট, বাতৰি তথা ছ'চিয়েল মিডিয়াৰ দ্রুত প্রসাৰৰ লগে লগে জনসম্পর্ক উদ্যোগটোৱেও বিকাশ লাভ কৰিছে। তথ্যৰ পৰা কথোপকথনলৈ এটা স্পষ্ট ৰূপান্তৰৰ ধাৰাৰে জনসম্পর্ক উদ্যোগটো বর্তমান বিকাশৰ এটা আকর্ষণীয় পর্যায়ত আছে। প্রযুক্তিয়ে জনসাধাৰণক মত বিনিময়ৰ নতুন নতুন পথৰ সন্ধান দিছে আৰু জনসম্পর্কক অনন্য মাত্রা প্রদান কৰিছে।

এই বৃত্তিটোত নিয়োগৰ ছবিখন বিশেষকৈ কেন্দ্র , ৰাজ্য আৰু স্থানীয় প্রশাসনিক বিভাগসমূহত যথেষ্ট প্রতিশ্রুতিপূর্ণ। ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগ, প্রতিৰক্ষা সেৱা, ব্যক্তিগত আৰু ৰাজহুৱা বেংক, চিকিৎসালয়, সমূহীয়া কল্যাণ সংস্থা, স্বেচ্ছামূলক সেৱা সংস্থা আৰু সংগঠিত কোম্পানীসমূহত প্রশিক্ষণ প্রাপ্ত জনসম্পর্ক বিষয়াৰ প্রয়োজন বৃদ্ধি পাবলৈ ধৰিছে। জনসম্পর্কৰ পৰামর্শদান আৰু জনসম্পর্কৰ গৱেষণা তথা মূল্যায়ন বর্তমান অতি গুৰুত্বপূর্ণ বিষয়ত পৰিণত হৈছে। ব্যৱহাৰিক বিজ্ঞানসমূহতো বিশেষ প্রশিক্ষণৰ চাহিদা বৃদ্ধি পাইছে। জীৱিকা হিচাপে জনসম্পর্ক এটা লাভজনক, সুৰক্ষিত, উদ্ভাৱনীমূলক আৰু সামাজিকভাৱে উপযোগী তথা ফলপ্রসূ বৃত্তি।


বর্ধিত প্রতিযোগিতা, গ্রাহকৰ সজাগতা, দায় ৰদ্ধ সংস্থা হিচাপে এটা আকর্ষণীয় ভাৰমূর্তি গঢ়ি তোলা, কর্মচাৰী সকলক উৎসাহিত তথা অনুপ্রাণিত কৰি ৰখাৰ গুৰুত্ব ইত্যাদিয়ে এই বৃত্তিৰ মর্যাদা বৃদ্ধিত অৰিহনা যোগাইছে। সেয়ে ক'ব পাৰি যে জনসম্পর্কই ভাৰত তথা বিশ্বত ভৱিষ্যৎ সময়তো যথেষ্ট প্রভাৱ বিস্তাৰ কৰিব। নির্ধাৰিত জনসমষ্টিত গুৰুত্ব আৰোপ কৰাৰ লগতে ই যথেষ্ট ব্যয়সাধ্যত্ত। যদিহে ৫ টা ডব্লিউ আৰু এটা এইচৰ শুদ্ধভাৱে উত্তৰ দিয়া যায়, তেনেহ'লে যিকোনো জনসম্পর্ক পৰিকল্পনাই যিকোনো সময়তে যিকোনো ঠাইতে যথেষ্ট সুফল লাভ কৰিব পাৰে।



২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ


প্রাচীন সময়ৰ পৰা আধুনিক বিশ্বলৈকে জনসম্পর্কই বিভিন্ন স্তৰ অতিক্রম কৰি এটা সফল উদ্যোগৰূপে প্রতিষ্ঠা লাভ কৰিছে। আজিৰ পর্যায় পাবলৈ ই বিভিন্ন পৰিৱর্তনৰ মাজেৰে আগবাঢ়িবলগীয়া হৈছে। জনসম্পর্কৰ বিকাশৰ ক্ষেত্রত ইউৰোপীয় দেশ আৰু আমেৰিকা যুক্তৰাষ্ট্রৰ ভূমিকা সন্দর্ভত এই অধ্যয়টোৱে এটা সম্যক ধাৰণা দিব । ধর্মীয় নীতিৰ প্রচাৰৰ পৰা বিভিন্ন নীতিৰ বিষয়ে জনসাধাৰণক অৱগত কৰোৱা তথা পতিয়ন নিওৱালৈকে জনসম্পর্কই পালন কৰা ভূমিকা সন্দর্ভতো অধ্যায়টিত ব্যাখ্যা আগবঢ়োৱা হৈছে। এই অধ্যায়ত জনসম্পর্কৰ দুগৰাকী বাটকটীয়া আইভি লী আৰু এডৱার্ড বার্ণেজৰ জীৱনী টোকাসহ তেওঁলোকৰ অৱদানৰ বিষয়ে আলোচনা কৰা হৈছে। তেওঁলোকৰ অৱদানে সমগ্র উদ্যোগটোৰ লাইখুঁটা স্থাপন কৰাৰ লগতে

শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত জনসম্পর্কক এটা উল্লেখযোগ্য উপাদান কৰি গঢ়ি তুলিছিল। এই অধ্যায়ত ভাৰতত জনসম্পর্কৰ আৰম্ভণি, বিকাশ আৰু ক্ৰমবিকাশ সন্দর্ভতো আলোচনা কৰা হৈছে। স্বাধীনতা আন্দোলন তথা ভাৰত চৰকাৰ আৰু হাউছ অৱ্ টাটাৰ দৰে ব্যক্তিগত কোম্পানীয়ে ভাৰতত জনসম্পর্কক এটা আকাৰ দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। অর্থনৈতিক নীতি, উদাৰীকৰণ আৰু গোলকীকৰণে ভাৰতত জনসম্পর্কৰ ছবিখনলৈ আমূল পৰিৱর্তন আনিছে। পুঁজিবাদ, ঔদ্যোগীকিৰণ আৰু উপ ভোক্তাবাদৰ প্ৰসাৰে এটা প্ৰতিযোগিতামূলক পৰিৱেশ গঢ়ি তোলে। ইয়াৰ লগে লগে জনসম্পর্ক বিষয়টোৱেও দীর্ঘ পৰিক্ৰমাৰে প্ৰতিশ্ৰুতিসম্পন্ন ভৱিষ্যতৰ দিশে আগবাঢ়ে।



২.৯ অধিক জানিবলৈ

1. Newsom, Doug, Turk V, Judy, Kruckeberg, Dean (2000). This is PR: The Realities of Public Relations. Seventh Edition. Singapore: Wadsworth Thomson Learning.
2. Sachdeva, Iqbal. (2009). Public Relations: Principles and Practices. First Edition. New Delhi: Oxford University Press
3. Wilcox, Dennis, Cameron, Glen, Reber, Bryan (2015). Public Relations: Strategies and Tactics. Eleventh Edition. Essex: Pearson.



২.১০ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ এডৱার্ড

২ নং প্ৰশ্নৰ উত্তৰ ঃ আইভি লী।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৮৯



২.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধর্মী প্ৰশ্ন-

১ নং প্ৰশ্ন ঃ এটা সংস্থাৰ ভাৱমূর্তি প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত জনসম্পর্কই কেনেকৈ সহায় কৰে?

২ নং প্ৰশ্ন ঃ জনসম্পর্কৰ বিকাশত আইভি লীৰ কেনে ভূমিকা আছিল?

(খ) চুটি প্রশ্ন- (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

১ নং প্রশ্ন ঃ জনসম্পর্কৰ ইতিহাস সন্দর্ভত এটা বিস্তৃত টোকা লিখক।

২ নং প্রশ্ন ঃ জনসম্পর্কক বৃত্তি হিচাপে বিকশিত কৰাৰ ক্ষেত্রত গুৰুত্বপূর্ণ অৱদান আগবঢ়োৱা বাটকটীয়াসকলৰ ভূমিকা বর্ণনা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত)

১ নং প্রশ্ন ঃ ভাৰতত জনসম্পর্কৰ ক্রমবিকাশ সম্পর্কে বহলাই লিখক।

২ নং প্রশ্ন ঃ জনসম্পর্কৰ সম্ভাৱনাসমূহৰ বিষয়ে লিখক।

****